# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

**-------------------**

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰকে ধৰি দেশৰ ২৪খন চহৰত ৱাটাৰ মেট্ৰ'ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তা অধ্যয়নত অনুমোদন জনাইছে। কেৰালাৰ কোচিস্থিত দেশৰ প্ৰথম ৱাটাৰ মেট্ৰ'ৰ সফলতাৰ পাছত আন ২৪খন চহৰত জলপথেৰে যাতায়তৰ সম্ভাৱনা অন্বেষণৰ ব্যতিক্ৰমী পদক্ষেপ লোৱা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কোচি ৱাটাৰ মেট্ৰ'ৰ সফলতাক প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত সূচনা হোৱা ভাৰতৰ উদ্ভাৱনী কৌশল, আত্মনিৰ্ভৰশীলতা আৰু জল পৰিবহন খণ্ডৰ সবলীকৰণৰ অনন্য নিদৰ্শন বুলি অভিহিত কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৱাটাৰ মেট্ৰ'ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তাৰ অধ্যয়নৰ অন্যতম হিচাপে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰক বাছনি কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে ৰাজ্যৰ বিশাল নদী নেটৱৰ্কেৰে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰৰ দৰে ঠাইত নগৰকেন্দ্ৰিক যাতায়াতৰ ৰূপান্তৰৰ অপাৰ সম্ভাৱনা বহন কৰি আহিছে।

ooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

গোলাঘাট বিধানসভা সমষ্টিত বিজেপি নেত্ৰী তথা বিত্তমন্ত্ৰী অজন্তা নেওগে দলীয় প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ পৰ্যবেক্ষণ কৰে। জিলাখনত অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিৰ মাজত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসন বুজাবুজিৰ সন্দৰ্ভত বৰ্তমানেও প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱা নাই।

ooooo

অসম গৰিয়া পৰিষদৰ উদ্যোগত আজি গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত প্ৰায় এহেজাৰ শিল্পীয়ে জিকিৰ পৰিৱেশন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিল্পীসকলে পৰিৱেশন কৰা **মোৰ মনত ভেদভাৱ নাই অ আল্লাহ** শীৰ্ষক জিকিৰে কলাক্ষেত্ৰৰ বাকৰি মুখৰিত কৰি তোলে। অসম গৰিয়া পৰিষদৰ নেতৃবৃন্দই অসমীয়া সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ আজান ফকিৰৰ জিকিৰসমূহ জীয়াই ৰখাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা বুলি প্ৰকাশ কৰে। তেওঁলোকে বিহু আৰু ঝুমুইৰ দৰেই জিকিৰো প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে যথোচিত ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

ooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহ আজি বিশ্ববিদ্যালয়খনৰ যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰোহিত্যত অনুষ্ঠিত এই সমাৰোহত অসম কৃষি আয়োগৰ অধ্যক্ষ ড০ হৰিশংকৰ গুপ্তাই সমাৱৰ্তনত ভাষণ দিয়ে। সমাৱৰ্তনত অৰণ্য মানৱ যাদৱ পায়েং আৰু গ্ৰীণ অস্কাৰ বিজয়ী  পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ অধীনত ৯খন মহাবিদ্যালয়ৰ পৰা স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী আৰু পি এইছ্ ডি লাভ কৰা ৫৪৮গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰীৰ প্ৰমাণপত্ৰৰ লগতে সোণৰ পদক আৰু অন্য পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। কৃষি মন্ত্ৰী অতুল বৰাই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

ooooo

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সদৰ হামৰেণত আজি তিনিদিনীয়া কাৰ্যসুচীৰে এই মেলাৰ শুভাৰম্ভ কৰা হয়। স্থানীয় বিধায়ক ৰূপসিং তেৰণে আনুষ্ঠানিকভাৱে মুকলি কৰা এই মেলাত বিভিন্ন চৰকাৰী বিভাগৰ বিপণীৰ লগতে বিশেষভাৱে সফলতা লাভ কৰা আত্মসহায়ক গোটসমূহৰ দ্বাৰা প্ৰস্তুত সামগ্ৰীৰ বিক্ৰী তথা প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত জিলাখনৰ ৩ হাজাৰ ২৯৫টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে।

ooooo

মিজোৰামৰ কেলছিহত  থকা  ৰাজ্যিক জনজাতীয় সম্পদ কেন্দ্ৰত কালি সন্ধিয়া ৰাষ্ট্ৰীয় জনজাতি যুৱ মহোৎসৱৰ শুভাৰম্ভ হৈছে। আদিবাসী মুক্তিযোদ্ধা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ বছৰজোৰাৰ সৈতে সংগতি ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে। জনজাতীয়মুক্তিযোদ্ধাসকলক সন্মান জনোৱাৰ লগতে যুৱ প্ৰজন্ম আৰু জনসাধাৰণৰ মাজত দেশপ্ৰেমৰ অনুভাৱ শক্তিশালী কৰাৰ লক্ষ্যৰে এই  মহোৎসৱৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মিজো জনগোষ্ঠীৰ কেইবাগৰাকীও শিল্পী অংশ লৈছে। তদুপৰি নাগালেণ্ড আৰু মণিপুৰৰ কেইবাগৰাকী খ্যাতিমান শিল্পীয়ে এই  মহোৎসৱত অনুষ্ঠান পৰিৱেশন কৰিছে। উল্লেখযোগ্য যে মিজোৰামৰ মুখ্য সচিব খিল্লী ৰাম মীনাই  কালি মহোৎসৱৰ শুভাৰম্ভণি কৰে। জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত সমাজ কল্যাণ, মহিলা আৰু শিশু উন্নয়ন সঞ্চালকালয়ৰ সহযোগত চাৰিদিনীয়া কাৰ্যসূচীৰে এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাষণত ৰাজ্যখনৰ মুখ্য সচিব  খিল্লী ৰাম মীনাই মিজো সম্প্ৰদায়ৰ সজীৱ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ বাবে আয়োজকসকলক ধন্যবাদ জনায়। তেওঁ কয় , যে এই মহোৎসৱত জনজাতীয় যুৱক-যুৱতীসকলক শিপাৰ সৈতে সংপৃক্ত কৰা বিষয়বস্তুৰ জৰিয়তে সাংস্কৃতিক সজাগতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে আৰু ই সমাজৰ বাবে গুৰুত্বপূৰ্ণ ৰূপে বিবেচিত হৈছে। এই উৎসৱে মিজোৰামৰ সাংস্কৃতিক পৰিচয়ক উজলোৱাৰ বাবে এখন মঞ্চ প্ৰদান কৰিছে আৰু থলুৱা শিল্পীসকলক পৰম্পৰাগত শিল্পসমূহ প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিছে। মহোৎসৱত পৰম্পৰাগত নৃত্য আৰু সংগীত প্ৰদৰ্শন, খাদ্য বিপণী আৰু বিভিন্ন শিল্পকৰ্মৰ প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে।

ooooo

সমাপ্ত